**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 27-08 -2024
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN

**HEADLINES**

**::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি জ' বাইডেনে কালি টেলিফোনৰ জৰিয়তে বাৰ্তালাপ কৰে।

২। নতুন দিল্লীত আজি ভাৰত আৰু ব্ৰাজিলৰ যুটীয়া আয়োগৰ নৱম বৈঠক অনুষ্ঠিত হ'ব।

৩। চিকিৎসা বৃত্তিসকলৰ সৈতে জড়িত লোকসকলৰ সুৰক্ষা সুনিশ্চিত কৰাৰ বাবে গঠিত ৰাষ্ট্ৰীয় টাস্ক ফৰ্চৰ প্ৰথমখন বৈঠক আজি অনুষ্ঠিত হ'ব।

৪। ঝাৰখণ্ডৰ প্ৰাক্তন মুখ্যমন্ত্ৰী চম্পাই চোৰেনে অহা ৩০ আগষ্টত ভাৰতীয় জনতা পাৰ্টিত যোগদান কৰিব। **আৰু**

৫। নিউয়ৰ্কত কালি চলিত বৰ্ষৰ ইউ এছ্ অপেন টেনিছ্ প্ৰতিযোগিতা আৰম্ভ হয়।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি টেলিফোনৰ জৰিয়তে আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি জ' বাইডেনৰ সৈতে ইউক্ৰেইনৰ সাম্প্ৰতিক পৰিস্থিতিকে ধৰি বিভিন্ন আঞ্চলিক আৰু আন্তঃৰাষ্ট্ৰীয় বিষয় লৈ বাৰ্তালাপ কৰে। বাৰ্তালাপৰ সময়ত শ্ৰী মোডীয়ে গণতান্ত্ৰিক প্ৰমূল্য, আইনৰ নীতি আৰু উভয় দেশৰ জনসাধাৰণৰ শক্তিশালী সম্পৰ্কৰ ভিত্তিত গঢ় লৈ উঠা ভাৰত আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ সৰ্বাত্মক আন্তঃৰাষ্ট্ৰীয় কৌশলগত সহযোগিতাৰ প্ৰতি শ্ৰী বাইডেনৰ গভীৰ দায়বদ্ধতাৰ শলাগ লয়।

আলোচনাকালত দুয়োগৰাকী নেতাই দ্বিপাক্ষিক সম্পৰ্কৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰে। ইয়াৰ লগতে নেতা দুগৰাকীয়ে উভয় দেশৰ জনসাধাৰণ তথা সমগ্ৰ মানৱজাতিৰ কল্যাণৰ অৰ্থে দ্বিপাক্ষিক সহযোগিতাৰ বিভিন্ন বিষয়ত আলোকপাত কৰে।

ইউক্ৰেইন সন্দৰ্ভত আলোচনা কৰাৰ পৰত প্ৰধানমন্ত্ৰী শ্ৰী মোদীয়ে দেশখনৰ শেহতীয়া ভ্ৰমণৰ বিষয়ে ৰাষ্ট্ৰপতি শ্ৰী বাইডেনক অৱগত কৰে। তেওঁ আলোচনা আৰু কূটনীতিৰ সপক্ষে ভাৰতৰ ধাৰাবাহিক সমৰ্থনৰ বিষয়ে পুনৰ প্ৰকাশ কৰে। শ্ৰী মোদীয়ে লগতে দেশখনলৈ সোনকালে শান্তি আৰু সুস্থিৰতা ঘূৰি অহাৰ পক্ষে ভাৰতৰ সমৰ্থনৰ বিষয়ে উল্লেখ কৰে।

ইপিনে আলোচনাকালত দুয়োগৰাকী নেতাই বাংলাদেশৰ পৰিস্থিতিক লৈ উদ্বেগ প্ৰকাশ কৰে। তেওঁলোকে দেশখনত আইন শৃংখলা পুনৰ বাহাল কৰাৰ লগতে বাংলাদেশত থকা সংখ্যালঘু, বিশেষকৈ হিন্দু লোকসকলৰ সুৰক্ষা আৰু নিৰাপত্তা নিশ্চিত কৰাত গুৰুত্ব আৰোপ কৰে। নেতা দুগৰাকীয়ে লগতে কোৱাডকে ধৰি বহুপাক্ষিক মঞ্চসমূহত সহযোগিতা অধিক শক্তিশালী কৰাৰ প্ৰতিশ্ৰুতিবদ্ধতা পুনৰ প্ৰকাশ কৰে।

০০০০০

বিদেশ মন্ত্ৰী ড০ এছ্ জয়শংকৰ আৰু ব্ৰাজিলৰ বিদেশ মন্ত্ৰী মাউৰ ভিয়েইৰাই আজি নতুন দিল্লীত উভয় দেশৰ যুটীয়া আয়োগৰ নৱম বৈঠকত সহ অধ্যক্ষতা কৰিব। চাৰিদিনীয়া চৰকাৰী ভাৰত ভ্ৰমণসূচীৰে ব্ৰাজিলৰ বিদেশ মন্ত্ৰীগৰাকী যোৱা শনিবাৰে নতুন দিল্লীত উপস্থিত হয়। বিদেশ মন্ত্ৰালয়ে প্ৰকাশ কৰা অনুসৰি শ্ৰী ভিয়েইৰাৰ ভ্ৰমণে ভাৰত আৰু ব্ৰাজিলৰ মাজৰ কৌশলগত সহযোগিতাক অধিক গতি প্ৰদান কৰিব। মন্ত্ৰালয়ে কৈছে যে, ট্ৰয়কাৰ অংশ হিচাপে দেশ দুখনে বিগত বৰ্ষত ভাৰতৰ জি-২০ ৰাষ্ট্ৰগোষ্ঠীৰ অধ্যক্ষতাৰ সময়ছোৱাত গ্ৰহণ কৰা সিদ্ধান্তসমূহ আগবঢ়াই লৈ যোৱাৰ বিষয়ে আলোচনা কৰিব। চলিত বৰ্ষৰ নৱেম্বৰলৈ ব্ৰাজিলে জি-২০ ৰাষ্ট্ৰগোষ্ঠীৰ অধ্যক্ষতাৰ  দায়িত্ব গ্ৰহণ কৰিছে। এই সময়ছোৱাত ভাৰত, ব্ৰাজিল আৰু দক্ষিণ আফ্ৰিকাৰে জি-২০ ট্ৰয়কা গঠিত হ'ব। অহা ১৮ আৰু ১৯ নৱেম্বৰত ৰিঅ' ডি জেনেৰিঅ'ত ব্ৰাজিলে জি-২০ ৰাষ্ট্ৰগোষ্ঠীৰ নেতৃবৃন্দৰ সন্মিলনৰ আয়োজন কৰিছে। ভাৰত আৰু ব্ৰাজিলকে ধৰি মুঠ ১৯ খন দেশেৰে জি-২০ গঠিত হৈছে। ভাৰত আৰু ব্ৰাজিলৰ মাজত বহুপাক্ষিক সম্পৰ্ক বিৰাজমান বুলি বিদেশ মন্ত্ৰালয়ে প্ৰকাশ কৰিছে। মন্ত্ৰালয় কয় যে, অভ্যাগত বিদেশ মন্ত্ৰীগৰাকীৰ ভ্ৰমণে ২০০৬ চনত আৰম্ভ হোৱা ভাৰত আৰু ব্ৰাজিলৰ কৌশলগত সহযোগিতাক অধিক শক্তিশালী কৰি তুলিব আৰু বিভিন্ন দ্বিপাক্ষিক, আঞ্চলিক আৰু বহুপাক্ষিক খণ্ডত সহযোগিতাৰ নতুন পথৰ অন্বেষণৰ সুযোগ প্ৰদান কৰিব।

ইয়াৰ পূৰ্বে বিদেশ মন্ত্ৰালয়ৰ অৰ্থনৈতিক সম্পৰ্কৰ সচিব ডাম্মু ৰবিয়ে ৰিঅ' ডি জেনেৰিঅ'ত যোৱা মাহত অনুষ্ঠিত জি-২০ উন্নয়ন মন্ত্ৰীসকলৰ বৈঠকত ভাৰতীয় প্ৰতিনিধি দলক নেতৃত্ব দিছিল। বৈঠকৰ সময়ত সচিব গৰাকীয়ে স্বচ্ছ ভাৰত অভিযান আৰু জলজীৱন মিছনৰ লেখীয়া ভাৰতৰ ধ্বজাবাহী কাৰ্যসূচীৰ বিষয়ে প্ৰকাশ কৰিছিল।

০০০০০

কেন্দ্ৰীয় চৰকাৰে ৰাজহুৱা ওজৰ-আপত্তি নিষ্পত্তি প্ৰক্ৰিয়া যাতে সময় নিৰ্ধাৰিত, সহজ আৰু অৰ্থপূৰ্ণ হয় তাৰ বাবে নিৰ্দেশনা জাৰি কৰিছে। ব্যক্তিগত, ৰাজহুৱা ওজৰ-আপত্তি আৰু পেঞ্চন মন্ত্ৰালয়ে কৈছে যে, এই ৰাজহুৱা ওজৰ-আপত্তি ফলপ্ৰসূ নিষ্পত্তিৰ বাবে জাৰি কৰা নিৰ্দেশনাৰ জৰিয়তে নাগৰিকসকলক সবল কৰা, প্ৰক্ৰিয়াটো সুব্যৱস্থিত কৰাৰ লগতে এইক্ষেত্ৰত অধিক স্বচ্ছতা অনা আৰু গুৰুত্ব প্ৰদানত প্ৰয়াস কৰা হৈছে।

জনসাধাৰণে তেওঁলোকৰ ওজৰ-আপত্তিসমূহ www.pgportal.gov.ত পঞ্জীয়ন কৰিব পাৰিব। কেন্দ্ৰীয় মন্ত্ৰালয় আৰু  বিভাগসমূহে ইয়াৰ বাবে ন'ডেল বিষয়া নিয়োগ কৰিব লাগিব, যিয়ে এই প্ৰক্ৰিয়াক খৰতকীয়াকৈ, স্বচ্ছতাৰে আৰু ফলপ্ৰসূভাৱে সম্পন্ন কৰিব। বিষয়াসকলক আঁচনি আৰু কাৰ্যসূচী সন্দৰ্ভত জ্ঞান থকা পৰ্যাপ্ত সম্পদৰ সহায়ত সমৰ্পিত ওজৰ-আপত্তি কোষ স্থাপন কৰাৰ নিৰ্দেশ দিয়া হৈছে। নিষ্পত্তি হোৱা ওজৰ-আপত্তিসমূহৰ বিষয়ে এছ্ এম এছ্ আৰু ই-মেইলৰ জৰিয়তে অৱগত কৰোৱা হ'ব।

০০০০০

চিকিৎসা বৃত্তিৰ সৈতে জড়িত লোকসকলৰ সুৰক্ষা, নিৰাপত্তা আৰু অনুকূল কৰ্মস্থানৰ পৰিৱেশ সুনিশ্চিত কৰাৰ বাবে উচ্চতম ন্যায়ালয়ে গঠন কৰা ৰাষ্ট্ৰীয় টাস্ক ফৰ্চৰ প্ৰথমখন বৈঠক আজি নতুন দিল্লীত অনুষ্ঠিত হ'ব। ভাৰত চৰকাৰৰ কেবিনেট সচিবৰ অধ্যক্ষতাত এই বৈঠক অনুষ্ঠিত হ'ব। এই টাস্ক ফৰ্চত কেন্দ্ৰীয় গৃহ সচিব, ৰাষ্ট্ৰীয় চিকিৎসা আয়োগৰ অধ্যক্ষ ভাইচ এডমিৰেল ডা০ আৰ চাৰিন, এইমছৰ সঞ্চালক ডা০ এ শ্ৰীনিৱাস আৰু স্নায়ু ৰোগ বিভাগৰ প্ৰাক্তন অধ্যাপক ডা০ পদ্মা শ্ৰীবাস্তৱক সদস্য হিচাপে অন্তৰ্ভুক্ত কৰা হৈছে।

কলকাতাৰ আৰ জি কৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালত সংঘটিত এগৰাকী চিকিৎসকৰ ধৰ্ষণ আৰু হত্যাকাণ্ডৰ গোচৰৰ শুনানি গ্ৰহণ কৰি উচ্চতম ন্যায়ালয়ে চিকিৎসা বৃত্তিৰ সৈতে জড়িত লোকসকলৰ সুৰক্ষাৰ বাবে এই টাস্ক ফৰ্চ গঠন কৰিছে। সৰ্বোচ্চ ন্যায়ালয়ে অহা তিনি সপ্তাহৰ ভিতৰত টাস্ক ফৰ্চক অন্তৰৰ্তীকালীন প্ৰতিবেদন আৰু দুমাহৰ ভিতৰত চূড়ান্ত প্ৰতিবেদন দাখিল কৰাৰ নিৰ্দেশ দিছে।

ooooo

ঝাৰখণ্ডৰ প্ৰাক্তন মুখ্যমন্ত্ৰী আৰু ঝাৰখণ্ড মুক্তি মৰ্চা, জে এম এমৰ জ্যেষ্ঠ নেতা চম্পাই চোৰেনে অহা ৩০ আগষ্টত ৰাঁচিত ভাৰতীয় জনতা পাৰ্টিত যোগদান কৰিব। বিজেপিৰ ঝাৰখণ্ডৰ নিৰ্বাচনৰ সহ প্ৰভাৰী তথা অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমৰ এটা পোষ্টৰ জৰিয়তে এই কথা প্ৰকাশ কৰিছে। ড০ শৰ্মাৰ সৈতে শ্ৰী চোৰেনে কালি নতুন দিল্লীত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহক সাক্ষাৎ কৰে। ঝাৰখণ্ডৰ প্ৰাক্তন মুখ্যমন্ত্ৰীগৰাকীয়ে শেহতীয়াভাৱে জে এম এমৰ নেতৃত্বই তেওঁক অপমান কৰাৰ অভিযোগ উত্থাপন কৰিছিল।

ooooo

কংগ্ৰেছে জম্মু কাশ্মীৰৰ বিধানসভাৰ আসন্ন নিৰ্বাচনৰ বাবে ৯ গৰাকী প্ৰাৰ্থীৰ নাম সম্বলিত এখন তালিকা প্ৰকাশ কৰিছে। তালিকা অনুসৰি কংগ্ৰেছে ড'ৰু বিধানসভা সমষ্টিত দলৰ নেতা গুলাম মহম্মদ মিৰক প্ৰক্ষেপ কৰাৰ বিপৰীতে দ'দা সমষ্টিত শ্বেইখ ৰিয়াজক প্ৰাৰ্থিত্ব প্ৰদান কৰিছে। একেদৰে দ'দা পশ্চিম বিধানসভা সমষ্টিত প্ৰদীপ কুমাৰ ভগতক প্ৰাৰ্থিত্ব প্ৰদান কৰা হৈছে।

ooooo

চতুৰ্দশ নাগালেণ্ড বিধানসভাৰ পঞ্চম অধিৱেশন আজিৰে পৰা আৰম্ভ হ'ব। দুদিনীয়াকৈ হ'বলগীয়া এই অধিৱেশনত জনসাধাৰণৰ স্বাৰ্থৰ সৈতে জড়িত গুৰুত্বপূৰ্ণ বিষয়সমূহৰ সন্দৰ্ভত আলোচনা কৰা হ'ব। অধিৱেশনত নাগালেণ্ডত সুৰা সম্পূৰ্ণৰূপে নিষেধাজ্ঞা আইন ১৯৮৯ৰ লগতে নাগা ৰাজনৈতিক বিষয় সন্দৰ্ভতো আলোচনা হোৱাৰ সম্ভাৱনা আছে।

ooooo

চত্তিশগড়ৰ বিজাপুৰ জিলাত কালি ২৫ জন মাওবাদীয়ে জিলা আৰক্ষী অধীক্ষক আৰু কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীৰ উপ মহাপৰিদৰ্শকৰ উপস্থিতিত আত্মসমৰ্পণ কৰে। আত্মসমৰ্পণ কৰা মাওবাদীকেইজনৰ বিপৰীতে মুঠ ২৯ লাখ টকাৰ পুৰস্কাৰৰ কথা ঘোষণা কৰা হৈছিল। ইয়াৰ ভিতৰত ৩ জনৰ বিপৰীতে ৮ লাখ টকাকৈ, এজনৰ বিপৰীতে ৩ লাখ টকা আৰু অন্য দুজনৰ বিপৰীতে একলাখ টকাকৈ ঘোষণা কৰা হৈছিল। আৰক্ষী অধীক্ষকে প্ৰকাশ কৰা অনুসৰি চত্তিশগড় চৰকাৰৰ পুনৰবাসন নীতিৰ অধীনত আত্মসমৰ্পণ কৰা প্ৰতিগৰাকী মাওবাদীলৈ ২৫ হাজাৰ টকাকৈ আগবঢ়োৱা হৈছে।

ooooo

নিউয়ৰ্কত কালি চলিত বৰ্ষৰ ইউ এছ্ অপেন টেনিছ প্ৰতিযোগিতা আৰম্ভ হয়। প্ৰতিযোগিতাত সম্প্ৰতি পুৰুষৰ ছিংগলছৰ প্ৰথম ৰাউণ্ডৰ এখন খেলত ভাৰতৰ সুমিত নাগল নেডাৰলেণ্ডছৰ টেলন গ্ৰিয়েক্সপুৰৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে। এই প্ৰতিযোগিতাত অৱতীৰ্ণ হোৱাৰ সুবাদত নাগলে ২০১৯ চনৰ পাছত একেটা বৰ্ষতে চাৰিওখন গ্ৰেণ্ডশ্লাম প্ৰতিযোগিতাৰ ছিংগলছত ভাগ লোৱা প্ৰথমগৰাকী ভাৰতীয় খেলুৱৈ হিচাপে পৰিগণিত হৈছে। ৰেংকিঙৰ ৭২ সংখ্যক স্থানত থকা ভাৰতীয় খেলুৱৈগৰাকীয়ে চলিত বৰ্ষত অষ্ট্ৰেলিয়ান অপেন টেনিছ প্ৰতিযোগিতাৰ দ্বিতীয় ৰাউণ্ডত প্ৰৱেশ কৰাৰ পূৰ্বে ফ্ৰেন্স অপেন আৰু উইম্বলডনৰ

প্ৰথম ৰাউণ্ডত পৰাজিত হৈছিল। দুবাৰৰ গ্ৰেণ্ডশ্লাম চেম্পিয়ন ভাৰতৰ ৰোহন বোপন্না আৰু তেওঁৰ অষ্ট্ৰেলিয়াৰ সহযোগী মেথিউ এবডেনৰ যুটীটোক প্ৰতিযোগিতাৰ পুৰুষৰ ডাবলছত স্পেইনৰ মাৰ্চেল গ্ৰেণ'লাৰ্চ আৰু আৰ্জেণ্টিনাৰ হৰাচীও জেবাল'ছৰ যুটীটোৰ পাছতে দ্বিতীয় বাছনিত স্থান দিয়া হৈছে।

পুৰুষৰ ছিংগলছত ইউ অপেন টেনিছ প্ৰতিযোগিতাৰ যোৱাবাৰৰ বিজয়ী ন'ভাক জ'ক'ভিছ্, ফ্ৰেন্স অপেন আৰু উইম্বলডনৰ চেম্পিয়ন স্পেইনৰ কাৰ্ল'ছ আলকাৰাজ তথা বিশ্ব শীৰ্যস্থানৰ খেলুৱৈ ইটালীৰ জেনিক চিনাৰকে ধৰি ভালেসংখ্যক তাৰকা খেলুৱৈয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব।

ইপিনে প্ৰতিযোগিতাৰ মহিলাৰ ছিংগলছৰ প্ৰথম ৰাউণ্ডত যোৱাবাৰৰ চেম্পিয়ন আমেৰিকা যুক্তৰাষ্ট্ৰ ক'ক' গ'ফে বিশ্বৰ ৬৬ সংখ্যক স্থানৰ ফৰাচী খেলুৱৈ ভাৰভাৰা গ্ৰাছেভাক যোৱা নিশা ৬-২, ৬-০ ফলাফলত পৰাস্ত কৰে। মহিলাৰ ছিংগলছত প্ৰতিযোগিতাৰ প্ৰাক্তন চেম্পিয়ন পোলেণ্ডৰ ইগা শ্বিয়াটেক, বিশ্বক্ৰমৰ চতুৰ্থ স্থানৰ খেলুৱৈ কাজাখস্তানৰ এলিনা ৰাইবাকিনা তথা অষ্ট্ৰেলিয়ান অপেনৰ খিতাপ দুবাৰকৈ জয় কৰা এৰিনা ছাবালেংকাৰ দৰে আগশাৰীৰ খেলুৱৈসকলেও অংশগ্ৰহণ কৰিছে।

ooooo

সমাপ্ত